# কনকলতা মহিলা আৰবান কো-অপাৰেটিভ বেংক লিমিটেড

## ২০১৫-২০১৬ চনৰ বাৰ্ষিক প্ৰতিবেদন

## স্থাপিত ঃ ১৪ নৱেম্বৰ, ১৯৯৮ চন

**পঞ্জীয়ন নং ঃ** অসম চৰকাৰৰ সমবায় আইনৰ অধীনত জে-১, ৯৮-৯৯ তাং ২২/৫/৯৮

**অনুজ্ঞা পত্ৰ নং ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ASSAM-0002 P তাং ১৬/২/২০০০

**ব্যৱসায়িক আদান প্ৰদান ঃ** ২৬/০২/২০০০ তাং ৰ পৰা

**মুখ্য কাৰ্যালয় ঃ** শ্বহীদ কনকলতা বৰুৱা স্মৃতি ভৱন, গড় আলি, যোৰহাট-৭৮৫০০১

ফোন নং ঃ ০৩৭৬-২৩০৪৭১৮

**শাখাসমূহ ঃ (১) যোৰহাট, (২) গড় আলি, (৩) মৰিয়নি, (৪) শিৱসাগৰ**

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু একমাত্ৰ মহিলাৰ দ্বাৰা পৰিচালিত কনকলতা মহিলা আৰবান কো-অপাৰেটিভ বেংক লিমিটেডে সোতৰতা বছৰ সুখ্যাতিৰে অতিক্ৰম কৰি ৰাজ্যৰ সমবায় খণ্ডলৈ গৌৰৱ আৰু বিশেষ সন্মান কঢ়িয়াই আনিছে।

কেন্দ্ৰীয় চৰকাৰে নিজাববীয়াকৈ এই বেংকৰ কাম-কাজৰ ওপৰত অধ্যয়ন চলাই মহিলা সৱলীকৰণৰ বিশিষ্ট সেৱাৰ বাবে ভাৰত চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে আন্তৰ্জাতিক নাৰী দিৱস ৮ মাৰ্চ, ২০১৬ তাৰিখে নতুন দিল্লীত ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীযুত প্ৰণৱ মুখাৰ্জী ডাঙৰীয়াই এই বেংকক নাৰী শক্তি পুৰস্কাৰ ২০১৫ দেৱী অহল্যা বাঈ হলকাৰ এৱাৰ্ড ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান কৰে।

এই পুৰস্কাৰৰ ধন দুইলাখ টকা আৰু এখন অতি মূল্যৱান প্ৰশস্তি পত্ৰ বেংকলৈ আগবঢ়ায়। বেংকৰ হৈ পৰিচালন সঞ্চালিকা শ্ৰীলখিমী বৰুৱাই এই পুৰস্কাৰ গ্ৰহণ কৰে। ইয়াৰোপৰি নাৰী দিৱসৰ দিনাই মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নাৰী শক্তি পুৰস্কাৰ পোৱাসকলৰ লগত সংসদ ভৱনত ভাব বিনিময় কৰে। তেখেতে উত্তৰ-পূৰ্বাঞ্চলৰ এই আওহতীয়া ঠাইৰ মহিলা বেংকটোৰ কষ্টকৰ অভিযানৰ বুজ লয়। বেংকৰ ফালৰ পৰাও কিছু সা-সুবিধা বিচাৰি তেখেতক এখন স্মাৰক পত্ৰও প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে সমবায় খণ্ডত বেংক সেৱাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পুৰস্কাৰ পাবলৈ সমৰ্থ হোৱা কনকলতা মহিলা বেংকেই প্ৰথম। এই বেংকে উত্তৰ-পূৰ্বাঞ্চললৈ বেংকিং খণ্ডত ৰাষ্ট্ৰীয় সন্মান কঢ়িয়াই অনাত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উত্তৰ-পূব আঞ্চলিক কাৰ্যালয় গুৱাহাটীত ১১ মাৰ্চ, ২০১৬ তাৰিখে এখন গাম্ভীৰ্যপূৰ্ণ সভাত ৰিজাৰ্ভ বেংকৰ আঞ্চলিক প্ৰবন্ধক শ্ৰীযুত বি.কে মিশ্ৰই এখন ফুলাম গামোচাৰে বেংকৰ পৰিচালন সঞ্চালিকা লখিমী বৰুৱাক আদৰণি জনায়।

প্ৰধানকৈ মহিলাৰ মূলধনৰ ওপৰত গঠিত এই বেংকটোৰ বৰ্তমান অংশীদাৰৰ সংখ্যা ন হাজাৰৰ অধিক, প্ৰায় ছয় শতাধিক আত্মসহায়ক গোটসহ ৩০ হাজাৰৰো অধিক গ্ৰাহক আৰু বৰ্তমানলৈকে প্ৰায় ছয় হাজাৰমহিলা হিতাধিকাৰীয়ে বেংকৰ ক্ষুদ্ৰ ঋণ আঁচনিৰ দ্বাৰা উপকৃত হৈছে। এই বেংক প্ৰতিষ্ঠানটোৰ ৮০% গ্ৰাহকেই হৈছে দৰিদ্ৰ সীমাৰেখাৰ তলৰ সাধাৰণ শ্ৰেণী অনুসূচিত জাতি, জনজাতি, চাহ শ্ৰমিক আৰু সংখ্যালঘু সম্প্ৰদায়ৰ লোক আৰু ৭০% গ্ৰাহকেই নিৰক্ষৰ।

**বেংকটোৱে যোৱা বছৰটোত কৰা কেইটামান উল্লেখযোগ্য কামৰ বিৱৰণ ঃ**

১। বেংকৰ প্ৰতিটো শাখাতে CCTV Camera-ৰ ব্যৱস্থা কৰা।

২। National automated cleaning House-ৰ (NACH) সদস্য অন্তৰ্ভুক্তি হোৱা।

৩। ৰিজাৰ্ভ বেংকৰ ফালৰ পৰা Staff-অক in house training-ব্যৱস্থা কৰিছে।

৪। প্ৰধান মন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা আৰু প্ৰধান মন্ত্ৰী সুৰক্ষা যোজনাৰ ব্যৱস্থা কৰা।

৫। মুদ্ৰা ঋণ শিশু কিস্তীতো ১২% হাৰত প্ৰদান কৰা।

৬। B.P.L. মহিলাসকলৰ ৭% সুতৰ হাৰত WCC ঋণৰ ব্যৱস্থা কৰা।

৭। অন্যান্য পিছপৰা (OBC) শ্ৰেণীৰ মহিলা আৰু গোটৰ বাবেমাত্ৰ ৪% সূদত ঋণৰ ব্যৱস্থা।

৮। বেংকৰ উপবিধি সংশোধন কৰি বেংকৰ স্বীকৃত মূলধন ৫০,০০,০০০ (পঞ্চাছ লাখ) টকাৰ পৰা ১০,০০,০০,০০০ (দহ কোটি) টকালৈ বৃদ্ধি কৰা হয়।

৯। সংশোধিত সমন্বয় আইন অনুসৰি বেংকৰ উপবিধি সংশোধন কৰা হয়।

## ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আৰ্হি কনকলতা মহিলা বেংক

আমাৰ স্থানীয় মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ বাদেও বেংকৰ বিষয়ে জানিবৰ বাবে উত্তৰাখণ্ডৰ পৰা কেইবাগৰাকীও সদস্যা উপস্থিত হৈছিলহি। তেখেতসকলে এই মহিলা বেংকৰ আৰ্হিতে উত্তৰাখণ্ডত এটা বেংক প্ৰতিস্থিত কৰিবৰ বাবে অধ্যয়ন কৰিছিল। সেইসকল হ'ল Delhi University-ৰ Prof. Dr. Kaushal Kr. Sharma, উত্তৰাখণ্ডৰ THDC-ৰ পৰা নেহাত্ৰেহান আৰু হাচিনা খাতুন।

### বেংকৰ এলেকা আৰু শাখা সম্প্ৰসাৰণ ঃ

বিশেষ কাৰিকৰী অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এলেকা সম্প্ৰসাৰণ সম্প্ৰতি স্থগিত ৰখা হৈছে। গোলাঘাট জিলাৰ সদৰত বেংকৰ পঞ্চমটো শাখাৰ আবেদন জনোৱাৰ প্ৰস্তুতি চলোৱা হৈছে।

### বেংকৰ ক্ষুদ্ৰ ঋণৰ আঁচনি ঃ

এই বেংকৰ প্ৰধান ব্যৱসায় ক্ষুদ্ৰ ঋণ আঁচনিত (Mircrofinance) বেংকৰ অন্যতম অংশীদাৰ NEDFIএ বছৰটোত দুই কোটি টকাৰ পুঁজিৰ যোগান ধৰি মহিলা সৱলীকৰণৰ পথ প্ৰশস্ত কৰি তুলিছে। অন্যান্য পিছপৰা শ্ৰেণীৰ মহিলা আৰু আত্মসহায়ক গোটসমূহৰ ঋণ দিয়াৰ উপৰি বেংকৰ নিজা পুঁজিৰপৰা মহিলাসকলক KMGL আঁচনিৰ অধীনত প্ৰয়োজনীয় ক্ষুদ্ৰ ঋণৰ ব্যৱস্থা কৰা হৈছে।

বছৰটোত মুঠ ২২১৮ গৰাকী মহিলাক তিনি কোটিৰ অধিক টকা ঋণ দিয়া হয়। বেংকৰ নিজা প্ৰচেষ্টাত পৌৰসভা এলেকা ও পঞ্চায়ত এলেকাত স্বাৱলম্বী গোট গঠন কৰি ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এনে ক্ষুদ্ৰ ঋণৰ বাবে সমন্বয়ৰক্ষীৰ ব্যৱস্থা কৰা হৈছে। জনপ্ৰিয় সৰবৰহী মহিলাক সমন্বয়ৰক্ষীৰ দায়িত্ব দিয়া হৈছে। অন্যান্য পিছপৰা বান বিধস্ত নিমাতীৰ দাতি কাষৰিয়া মহিলাসকলৰ উন্নতিৰ কাৰণে অতি নিম্নমানৰ সুতত ক্ষুদ্ৰ ঋণৰ ব্যৱস্থা কৰা হৈছে।

### আত্মসহায়ক গোটৰ ঋণ ঃ

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত NRLM-ৰ অধীনত আত্মসহায়ক গোটক ৭% সুদত ঋণ দিয়া হয়। বৰ্তমানলৈকে ৩৪টা গোটক NRLM-ৰ অধীনত ১৭ লাখ টকাৰ ঋণ দিয়া হৈছে আৰু ইতিমধ্যে ব্লক পৰ্যায়ত অনুষ্ঠিত হোৱা সভাসমূহত বেংকৰ ঋণৰ বিষয়ে মহিলাৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। SIRD-ৰ আঁচনিত যুটীয়া দায়বদ্ধ আত্ম সহায়ক গোটক ঋণ দিয়া হৈছে। বেংকৰ নিজা আঁচনিটো বহু সংখ্যক আত্ম সহায়ক গোটক আৰু মহিলাক ব্যক্তিগত ঋণ দিয়া হৈছে।

### গ্ৰাহক আৰু হিতাধিকাৰী বীমা সুৰক্ষা ঃ

সমবায় বেংকৰ বিধি আৰু উপবিধি অনুসৰি ঋণ ল'বৰ বাবে গ্ৰাহকসকল বেংকৰ অংশীদাৰ হোৱাটো বাধ্যতামূলক। ভাৰতীয় জীৱন বীমা নিগমৰ (LIC) ক্ষুদ্ৰ বীমা আঁচনিৰ অধীনত মহিলা হিতাধিকাৰী আৰু গ্ৰাহকসকলৰ কম প্ৰিমিয়ামত বছৰটোত ২২০০ খন বীমা পলিচি কৰোৱা হয়।

নতুনকৈ প্ৰৱৰ্তন কৰা প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা ও প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত ক্ৰমে ভাৰতীয় জীৱন বীমা নিগম আৰু Oriental Insurance Co.-ৰ সহযোগত প্ৰায় দুই শতাধিক গ্ৰাহকক অন্তৰ্ভুক্ত কৰা হয়।

### গ্ৰাহকৰ জমা ধনৰ বীমা সুৰক্ষা ঃ

গ্ৰাহকৰ জমা ধন এক লাখ পৰ্যন্ত Deposit Insurance and Credit Guarantee Corporation-ৰ লগত নিয়মীয়াকৈ বীমা সুৰক্ষা প্ৰদান কৰি থকা হৈছে।

### বেংকৰ বীমা সুৰক্ষা ঃ

বেংকৰ সকলো স্থাবৰ-অস্থাৱৰ সম্পত্তি টকা-পইচাৰ লেনদেন আদি Banker's Blanket Policy-ৰ দ্বাৰা সুৰক্ষিত কৰি ৰখা হৈছে।

## বিনিয়োগ ঃ

এই বছৰটোত চৰকাৰীভাৱে পোৱা সহযোগিতা, ইতিবাচক দৃষ্টিভংগীৰ ফলস্বৰূপে আন্তঃগাঁথনি উন্নয়নৰ কিছু পৰিমাণে হ'লেও সফল হ'ব পাৰিছে। এই বেংকৰ স্থিতি ক্রমে সবল কৰি তোলাৰ উদ্দেশ্যে নীতি-নিৰ্দেশনা অনুসৰি Government Securityত দীৰ্ঘকালীন আৰু হ্রস্বকালীন বিনিয়োগ কৰা হৈছে।

নাৰী শক্তি পুৰস্কাৰ ২০১৫-ৰ ২,০০,০০০/- (দুই লাখ টকা) আচুতিয়া পুঁজিত পুৰস্কাৰটিৰ নামেৰেই বিনিয়োগ কৰা হৈছে আৰু এই বৰঙণিয়ে বেংকটোৰ NET WORTH সৱল কৰিব।

## পৰিদৰ্শন আৰু হিচাপ পৰীক্ষা ঃ

ভাৰতীয় ৰিজাৰ্ভ বেংকে ২০১৫ চনৰ ৩১ মাৰ্চপৰ্যন্ত নিয়মীয়া পৰিদৰ্শন কৰি টোকা প্ৰেৰণ কৰিছে (সন্তোষজনক বুলি)।

অসম চৰকাৰৰ সমবায় বিভাগৰ দ্বাৰা বেংকটোৰ ২০১৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত হিচাপ পৰীক্ষা কৰি থকা হৈছে।

বেংকৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক শ্ৰীযুত ঠগেশ্বৰ শইকীয়াদেৱে ২০১৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত সম্পূৰ্ণ কৰি প্ৰতিবেদন দাখিল কৰিছে।

বেংকৰ দৈনন্দিন কামকাজ পৰীক্ষা কৰি ভুল-ক্রটিসমূহ থলীতে Concurrent Auditor শ্ৰীযোগেন্দ্ৰ নাথ শৰ্মাদেৱে শুধৰণী কৰি দিয়ে। তেখেতসকললৈ আমাৰ ধন্যবাদ থাকিল।

সঞ্চালনা পৰিষদৰ সিদ্ধান্ত মৰ্মে Audit সম্পৰ্কীয় তথ্যপাতি দাখিল কৰিবৰ বাবে শ্ৰীব্ৰিজেশ পোদ্দাৰক C.A. বেংকৰ Auditor হিচাবে নিযুক্তি দিয়ে। পাছত পৰীক্ষিত হিচাপ বাতৰি কাকতৰ যোগে প্ৰচাৰ কৰা হ'ব।

## সভা-সমিতি ঃ

বছৰটোত সঞ্চালনা পৰিষদৰ ৭ খন সভা আৰু এখন বাৰ্ষিক সাধাৰণ সভা (১১-০৭-২০১৫) তাৰিখে আৰু এখন বিশেষ সাধাৰণ সভা (১২-০৯-২০১৫) তাৰিখে অনুষ্ঠিত হয়।

## সঞ্চালনা পৰিষদ ঃ

বৰ্তমানৰ সঞ্চালনা পৰিষদখন অহা ১৬-০৬-২০১৬ তাৰিখে অন্ত পৰিব। সেয়েহে আজিৰ সাধাৰণ সভাত নতুন সঞ্চালনা পৰিষদখন গঠন কৰিব লাগিব। বেংকৰ সমবায় আইন অনুসৰি প্ৰয়োজন হোৱা কিছু উপবিধি সংশোধনৰ মাজেদি সঞ্চালনা পৰিষদ গঠন কৰা হ'ব।

সু-সংগঠিত সঞ্চালনা পৰিষদৰ অকুণ্ঠ সহযোগিতা, ইতিবাচক দৃষ্টিভংগী আৰু সবল নেতৃত্বত বেংকটোৰ সু-পৰিচালনা সম্ভৱ হৈ উঠিছে। এইক্ষেত্ৰত গুৰু দায়িত্ব পালন কৰি আহিছে বেংকৰ পৰিচালন সঞ্চালিকা শ্ৰীলখিমী বৰুৱাই।

উল্লেখযোগ্য যে বহু কষ্ট আৰু মিতব্যয়িতাৰে পৰিচালনা কৰাৰ ক্ষেত্ৰত বেংকৰ কৰ্মচাৰীসকলৰ সৎ প্ৰচেষ্টা শলাগ জনাব লাগিব। কৰ্মচাৰীসকলৰ দক্ষতা, একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমৰ ফলতহে অনুষ্ঠানটোৱে সফলতা লাভ কৰিছে। বেংকৰ মহিলাসকলে দেখা সপোনৰ সফল ৰূপায়ণ আৰু সু-পৰিচালনাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰা হ'ল।

ধন্যবাদ সহকাৰে—

সঞ্চালনা পৰিষদৰ সদস্যবৃন্দ

**শ্ৰীশকুন্তলা দেৱী**, *অধ্যক্ষা*
**শ্ৰীনিৰ্মলা শৰ্মা**, *উপাধ্যক্ষ*
**শ্ৰীসাধন কুমাৰ চক্ৰৱৰ্তী**, *প্ৰফেচ নৈল ডাইৰেক্টৰ*
**শ্ৰীপ্ৰমোদ চন্দ্ৰ পাঠক**, *প্ৰফেচ নৈল ডাইৰেক্টৰ*
**শ্ৰীঅলি বৰা**, *নেডফিৰ প্ৰতিনিধি*
**শ্ৰীঅঞ্জনা চলিহা**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীবিনীতা দত্ত**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীউমা কটকী**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীশান্তি চক্ৰৱৰ্তী**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীপূৰ্ণিমা ফুকন**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীমঞ্জু কাৰ্ডং**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীমামনী কটকী**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীআভা হাজৰিকা**, *সদস্যা, সঞ্চালনা পৰিষদ*
**শ্ৰীলখিমী বৰুৱা**, *পৰিচালন সঞ্চালিকা*

তাং ঃ ১৪-০৫-২০১৬

## কনকলতা মহিলা আৰবান কোঃ অপাৰেটিভ বেংক লিঃ, যোৰহাট

### আয়-ব্যয়/লাভ-লোকচানৰ হিচাপ ২০১৫-২০১৬

লাখ হিচাপত

| ক্রঃ নং | উপাৰ্জনৰ শিতান | ২০১৪-১৫ | ২০১৫-১৬ |
|---|---|---|---|
| ১ | ঋণৰ সুদ | ৩৮.৭৫ | ৮২.৭০ |
| ২ | বেংকৰ জমা, বিনিয়োগৰ সুদ | ২৮.১১ | ৩৪.৯২ |
| ৩ | কমিছন আদি | ৫.০১ | ৮.৪৮ |
| ৪ | অন্যান্য প্ৰাপ্তি | .৯২ | - |
| ৫ | সৰ্বমুঠ | ৭২.৭৯ | ১২৬.১০ |

| ক্রঃ নং | খৰচৰ শিতান | ২০১৪-১৫ | ২০১৫-১৬ |
|---|---|---|---|
| ১ | জমাৰ সুদ | ২১.৫৬ | ২৬.৯১ |
| ২ | ঋণৰ সুদ | ২.৭৮ | ১৫.৪১ |
| ৩ | দৰমহা আৰু বানচ | ১৮.৫২ | ২৪.১৯ |
| ৪ | ঘৰ ভাড়া, বীমা ইত্যাদি | ২.০৫ | ২.১৩ |
| ৫ | সদস্যৰ বানচ | .১২ | ০.১৩ |
| ৬ | ডাক খৰছ, টেলিকম | .৭৬ | ০.৯৩ |
| ৭ | হিচাপ পৰীক্ষা মাচুল | .০৪ | ০.০৫ |
| ৮ | মেৰামতি | .৮০ | ০.৯৫ |
| ৯ | ছপা সামগ্ৰী বিজ্ঞাপন | ১.০০ | ১.২৫ |
| ১০ | সম্ভাব্য লোকচানৰ আছুতীয়া ব্যৱস্থা | ২.৫৯ | ২৩.৪৩ |
| ১১ | Govt. Security Preium | .৫৩ | ০.৭২ |
| ১২ | অন্যান্য খৰছ | ৭.৪৬ | ১৩.৬২ |
| ১৩ | Income Tax Paid | ৮.৯৩ | ১০.৪৮ |
| ১৪ | আছুতীয়া পুঁজিৰ ব্যৱস্থা | — | — |
| ১৫ | বছৰটোৰ লাভ | ৫৬৫ | ৫.৯০ |
| | সৰ্বমুঠ | ৭২.৭৯ | ১২৬.১০ |

## কনকলতা মহিলা আৰবান কোঃ অপাৰেটিভ বেংক লিঃ, যোৰহাট

### বিত্তীয় প্ৰতিবেদন ২০১৫-২০১৬

উদ্বৃত্ত-পত্ৰ — লাখ হিচাপত

| ক্রঃ নং | মূলধন আৰু দেনা | ২০১৪-১৫ | ২০১৫-১৬ |
|---|---|---|---|
| ১ | অংশ মূলধন | ৪২.০৯ | ৪৭.৪৭ |
| ২ | আছুতীয়া পুঁজি | ৬৩.৯৫ | ৮৮.৮৭ |
| ৩ | জমা | ১০৪৫.৯১ | ৬৪৮.৭৮ |
| ৪ | অন্যান্য ঋণ | ১৬৬.৬৭ | ২৯৩.৯৬ |
| ৫ | অন্যান্য দেনা | ৪৭.১৫ | ৩৪.৮১ |
| ৬ | অন্যান্য পাওনা | — | ১১.৯১ |
| ৭ | বাৰ্ষিক লাভ | ৫.৬৫ | ৫.৯০ |
| | সৰ্বমুঠ | ১৩৭১.৪২ | ১১৩১.৭০ |

| ক্রঃ নং | সম্পত্তি আৰু পাওনা | ২০১৪-১৫ | ২০১৫-১৬ |
|---|---|---|---|
| ১ | নগদ জমা | ১১০.৭০ | ৩০১.৯৪ |
| ২ | বেংকত অন্যান্য জমা | ৪৯৮.৫২ | ১০২.৩৭ |
| ৩ | বিনিয়োগ | ৩১২.৮৫ | ২৫৩.৩৫ |
| ৪ | ঋণ | ৩৯২.৬১ | ৪৪০.৯৮ |
| ৫ | পাবলগা সুদ | ৮.০৬ | ১.৫৩ |
| ৬ | স্থাৱৰ সম্পত্তি | ২২.২১ | ২২.৩২ |
| ৭ | আচবাব আদি | ৪.৯২ | ৪.৬২ |
| ৮ | অন্যান্য পাওনা | ২১.৫৫ | ৪.৫৯ |
| | সৰ্বমুঠ | ১৩৭১.৪২ | ১১৩১.৭০ |

# বছৰটোত সংক্ষেপতে বেংকৰ স্থিতি
## ৩১ মাৰ্চ, ২০১৬ চন পৰ্যন্ত

| | | | |
|---|---|---|---|
| (১) | শাখা | ঃ | (১) যোৰহাট, (২) গড় আলি, (৩) মৰিয়নি, (৪) শিৱসাগৰ জিলা |
| (২) | কৰ্মচাৰী | ঃ | ২২ গৰাকী |
| (৩) | এজেণ্ট | ঃ | ৯ গৰাকী |
| (৪) | সমন্বয়ৰক্ষী | ঃ | ৫১ গৰাকী |
| (৫) | গ্ৰাহক | ঃ | ২৯২২৯ গৰাকী |
| (৬) | হিতাধিকাৰী | ঃ | ২৭০৯ গৰাকী |
| (৭) | অংশীদাৰ | ঃ | ৯৩৯৪ গৰাকী |
| (৮) | অংশ মূলধন | ঃ | ৪৭.৪৭ লাখ (লাখৰ হিচাপত) |
| (৯) | আছুতীয়া পুঁজি | ঃ | ৮৮.৮৭ লাখ |
| (১০) | জমা | ঃ | ৬৪৮.৭৮ লাখ |
| (১১) | ঋণ | ঃ | ৪৪০.৯৮ লাখ |
| (১২) | অন্যান্য পাওনা | ঃ | ৩৪.৮১ লাখ |
| (১৩) | বাৰ্ষিক লাভ | ঃ | ৫.৯০ লাখ |
| (১৪) | ঋণ পৰিশোধৰ হাৰ | ঃ | ৯৬.৭৫% |
| (১৫) | Net NPA | ঃ | ১.৮৭% |
| (১৬) | CRAR | ঃ | ৪৪.৬৪% |
| (১৭) | CD Ratio | ঃ | ৬৯.৯৭ |
| (১৮) | Working Capital | ঃ | ১১৩১.৭০ লাখ |
| (১৯) | NEDFI ঋণ গ্ৰহণ | ঃ | ২০০.০০ লাখ |
| (২০) | স্থাৱৰ সম্পত্তি | ঃ | ২২.৩২ লাখ |